**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-03-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই দেশৰ জনস্বাস্থ্য প্ৰতিষ্ঠানসমূহ সবল কৰি তোলাৰ লগতে সকলোৰে বাবে স্বাস্থ্যৰ সুবিধা সুনিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দোহাৰিছে।

২। কেন্দ্ৰীয় গৃহ তথা সমবায় মন্ত্ৰী অমিত শ্বাহে আজি দেশৰ গাড়ীচালকসকলৰ বাবে এটা সমবায় সংগঠন মুকলি কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পৰিকল্পনাৰ বিষয়ে ঘোষণা কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে হাৰিয়ানা, চণ্ডীগড় আৰু পঞ্জাব ভ্ৰমণ কৰিব।

৪। মণিপুৰৰ কাংপোক্‌পি জিলাত উত্তেজনাময় পৰিস্থিতি বিৰাজ কৰাৰ লগতে স্বাভাৱিক জীৱনযাত্ৰাত ব্যাঘাত হোৱাৰ প্ৰতিবাদত কুকিজো সংগঠনে অনিৰ্দিষ্ট কাললৈ ধৰ্মঘটৰ আহ্বান জনাইছে।

*আৰু*

৫। ডুবাইত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ২০২৫ প্ৰতিযোগিতাত নিউজিলেণ্ডে ভাৰতৰ সন্মুখত ২৫২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য তথা পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই দেশৰ জনস্বাস্থ্য প্ৰতিষ্ঠানসমূহ সবল কৰি তোলাৰ লগতে সকলোৰে বাবে স্বাস্থ্যৰ সুবিধা সুনিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দোহাৰিছে। নতুন দিল্লীত ৰাষ্ট্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ প্ৰতিষ্ঠানৰ ৪৮ সংখ্যক বাৰ্ষিক দিৱস উদযাপন অনুষ্ঠানত ভাৰ্চুৱেল পদ্ধতিৰে অংশগ্ৰহণ কৰি দিয়া ভাষণত তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীনাড্ডাই কয় যে দেশত জনস্বাস্থ্য ক্ষেত্ৰত কৰ্মৰত লোকসকলৰ সক্ষমতা নিৰ্মাণ সম্পৰ্কীয় কাম-কাজ তথা গৱেষণা আৰু প্ৰশিক্ষণ প্ৰদান কৰাৰ ক্ষেত্ৰত প্ৰতিষ্ঠানখনে আগশাৰীৰ ভূমিকা গ্ৰহণ কৰে। প্ৰতিষ্ঠানখনত ৰাষ্ট্ৰীয় শীতল শৃংখল আৰু প্ৰতিষেধক ব্যৱস্থাপনা গৱেষণা কেন্দ্ৰৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি শ্ৰীনাড্ডাই কয় যে এই কেন্দ্ৰক সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় উৎকৰ্যতা কেন্দ্ৰলৈ উন্নীত কৰাৰ প্ৰক্ৰিয়া অব্যাহত আছে। ইয়াৰ জৰিয়তে দেশৰ ভৌগলিক পৰিসীমা অতিক্ৰম কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষেধক আৰু যোগান শৃংখল ক্ষেত্ৰত ভাৰতৰ আগশাৰীৰ ভূমিকা প্ৰতিফলিত হোৱা বুলিও তেওঁ প্ৰকাশ কৰে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে তেওঁৰ ভাষণত কয় যে ভাৰতে জনস্বাস্থ্য ক্ষেত্ৰৰ নতুন দিগন্তত প্ৰবেশ কৰিছে। চৰকাৰে সাৰ্বজনীন স্বাস্থ্যৰ সুবিধা প্ৰদান কৰা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা বুলিও তেওঁ প্ৰকাশ কৰে। দেশত সকলো পৰ্যায়ৰ স্বাস্থ্য সেৱাৰ সুবিধা উন্নীত কৰাৰ জৰিয়তে স্বাস্থ্য সেৱা জনসাধাৰণৰ বাবে সুচল তথা সুলভ কৰি তোলাৰ উদ্দেশ্যে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰখা বুলি তেওঁ উল্লেখ কৰে। চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থীসকলৰ সমৰ্থতা বৃদ্ধিৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমতী পেটেলে ডিজিটেল শিক্ষণ প্ৰক্ৰিয়াৰ প্ৰয়োজনীয়তা সন্দৰ্ভতো মত প্ৰকাশ কৰে।

০০০০০

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি ত্ৰিপুৰাত কন্যা শিশুৰ বাবে  মুখ্যমন্ত্ৰী বালিকা সমৃদ্ধি যোজনা আৰু মুখ্যমন্ত্ৰী কন্যা আত্মনিৰ্ভৰ যোজনা শীৰ্ষক দুখন আঁচনিৰ বিষয়ে ঘোষণা কৰে। আগৰতলাৰ স্বামী বিবেকানন্দ গ্ৰাউণ্ডত আয়োজিত এখন দলীয় সভাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে ত্ৰিপুৰা চৰকাৰৰ এই বিশেষ আঁচনিৰ বিষয়ে ঘোষণা কৰে। মুখ্যমন্ত্ৰী বালিকা সমৃদ্ধি যোজনাৰ অধীনত দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালত জন্মগ্ৰহণ কৰা কন্যা শিশুসকলৰ বাবে চৰকাৰে বণ্ড হিচাপে ৫০ হাজাৰ টকাকৈ জমা কৰিব। কন্যা শিশুসকল প্ৰাপ্তবয়স্ক হোৱাৰ পাছত তেওঁলোকক শিক্ষা তথা অন্যান্য ক্ষেত্ৰত সা-সুবিধা প্ৰদান কৰাৰ বাবে মুঠ ১০ লাখ টকাকৈ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী কন্যা আত্মনিৰ্ভৰ যোজনাৰ অধীনত ত্ৰিপুৰাৰ ৰাজ্যিক শিক্ষা পৰিষদ, কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ তথা ভাৰতীয় মাধ্যমিক শিক্ষা প্ৰমাণপত্ৰ পৰীক্ষাত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ১৪০গৰাকী ছাত্ৰীক দুচকীয়া বাহন প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ মানিক সাহাৰ নেতৃত্বত দুয়োখন আঁচনিৰ সূচনা কৰা হোৱা বুলি জে পি নাড্ডাই সদৰি কৰে।

০০০০০

কেন্দ্ৰীয় গৃহ তথা সমবায় মন্ত্ৰী অমিত শ্বাহে আজি দেশৰ গাড়ীচালকসকলৰ বাবে এটা সমবায় সংগঠন মুকলি কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পৰিকল্পনাৰ বিষয়ে ঘোষণা কৰিছে। আহমেদাবাদৰ জেটালপুৰত আহমেদাবাদ জিলাৰ জিলা সমবায় বেংকৰ শতবাৰ্ষিকী উদযাপন অনুষ্ঠানৰ সামৰণি সমাৰোহত মন্ত্ৰীগৰাকীয়ে ভাষণ দিয়ে। তেওঁ কয় যে চৰকাৰে কৃষি তথা দুগ্ধ উৎপাদন খণ্ডৰ উন্নয়ন ত্বৰান্বিত কৰাৰ লক্ষ্যৰে পৰৱৰ্তী পাঁচ বছৰত সমবায় আন্দোলনৰ সৈতে ২ লাখ সেৰা সমবায় সমিতি তথা গুৰুত্বপূৰ্ণ দুগ্ধ উৎপাদন গোটক সংযুক্ত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। গুজৰাট ভ্ৰমণৰত মন্ত্ৰীগৰাকীয়ে আদালাজত অধিবক্তাসকলৰ শপত গ্ৰহণ অনুষ্ঠানতো অংশগ্ৰহণ কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে হাৰিয়ানা, চণ্ডীগড় আৰু পঞ্জাব ভ্ৰমণ কৰিব। এই ভ্ৰমণ কালৰ প্ৰথম দিনা ৰাষ্ট্ৰপতিগৰাকীয়ে হিছাৰত গুৰু জম্ভেশ্বৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰিব। শ্ৰীমতী মুৰ্মুৱে একে দিনাই ব্ৰহ্মকুমাৰীৰ সোণালী জয়ন্তী উদযাপনৰ সৈতে সংগতি ৰাখি আয়োজিত সামগ্ৰিক কল্যাণৰ বাবে আধ্যাত্মিক শিক্ষা সন্দৰ্ভত ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচী মুকলি কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে অহা মঙলবাৰে বাথিণ্ডাৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান তথা পাঞ্জাব কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহতো অংশগ্ৰহণ কৰিব। শ্ৰীমতী মুৰ্মুৱে অহা ১২ মাৰ্চত চণ্ডীগড়ৰ পঞ্জাব বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহতো ভাগ ল'ব।

০০০০০

সংসদৰ বাজেট অধিবেশনৰ দ্বিতীয় পৰ্যায় কাইলৈ আৰম্ভ হ'ব।  ৪ এপ্ৰিললৈ চলিবলগীয়া এই অধিবেশনত ২০ খন  বৈঠক অনুষ্ঠিত হ'ব। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কাইলৈ মণিপুৰৰ বাবে বিশেষ বাজেট উত্থাপন কৰাৰ কথা। যোৱা মাহত মুখ্যমন্ত্ৰী এন বিৰেন সিঙে পদত্যাগ কৰাৰ পাছত ৰাজ্যখনত সম্প্ৰতি ৰাষ্ট্ৰপতি শাসন জাৰি কৰা হৈছে।  এই পৰ্যায়ত ২০২৫-২৬ বৰ্ষৰ দাবীমঞ্জুৰী প্ৰস্তাৱ আৰু আনুসংগিক বিনিয়োজন বিধেয়ক সন্দৰ্ভত আলোচনা আৰু ভোটদান হ'ব। ইয়াৰ উপৰি বেংকিং আইন সংশোধনী বিধেয়ক, উপকূলীয় নৌ পৰিবহন বিধেয়ক, ত্ৰিভূৱন চহকাৰী বিশ্ববিদ্যালয় বিধেয়ক, প্ৰব্ৰজন তথা

বিদেশী বিধেয়ক ২০২৫ আৰু ৰেলৱে সংশোধনী বিধেয়ককে ধৰি কেইবাখনো বিধেয়ক আলোচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব।

বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায় ৩১ জানুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হৈছিল। অধিৱেশনৰ আৰম্ভণিতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দিছিল আৰু বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে অধিৱেশনৰ প্ৰথম পৰ্যায়ত পহিলা ফেব্ৰুৱাৰীত কেন্দ্ৰীয় বাজেট উত্থাপন কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উভয় সদনতেই ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ প্ৰত্যুত্তৰ দিছিল। প্ৰথম পৰ্যায়ত লোকসভাত প্ৰায়  কাম-কাজ সম্পাদনৰ হাৰ ১১২ শতাংশ আছিল। ৱাকফ্ সংশোধনী বিয়েধক  ২০২৪ সন্দৰ্ভত যুটীয়া সমিতিৰ প্ৰতিবেদনো লোকসভাত উত্থাপন কৰা হৈছিল।

০০০০০

মণিপুৰৰ কাংপোক্‌পি জিলাত উত্তেজনাময় পৰিস্থিতি বিৰাজ কৰাৰ লগতে স্বাভাৱিক জীৱনযাত্ৰাত ব্যাঘাত হোৱাৰ প্ৰতিবাদত কুকিজো সংগঠনে অনিৰ্দিষ্ট কাললৈ ধৰ্মঘটৰ আহ্বান জনাইছে। ইম্ফল-ডিমাপুৰ পথকে ধৰি জিলাখনৰ স্পৰ্শকাতৰ অঞ্চলসমূহত অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েন কৰা হৈছে। ৰাজ্যখনত কালি সংঘটিত হিংসাত্মক প্ৰতিবাদত এজন লোকৰ মৃত্যু হোৱাৰ লগতে ৪০গৰাকীতকৈ অধিক লোক আহত হয়। ৰাজ্যখনত জনসাধাৰণৰ মুক্ত আহ-যাহৰ অনুমতি প্ৰদান কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নিৰ্দেশৰ বিৰোধিতা কৰা প্ৰতিবাদকাৰীক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ পাছতে কুকি জনবসতিপ্ৰধান জিলাখনত প্ৰতিবাদকাৰী আৰু সুৰক্ষা বাহিনীৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়। মণিপুৰ আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি প্ৰতিবাদকাৰীয়ে বৃহৎ শিলৰ সহায়ত পথ অৱৰোধ কৰাৰ লগতে টায়াৰ জ্বলাই তথা গছ কাটি পথত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। প্ৰতিবাদকাৰীয়ে নিৰাপত্তাৰক্ষীলৈ গুলীচালনা কৰাৰ প্ৰত্যুত্তৰত গুলীচালনা কৰা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। এই ঘটনাত ২৭জন নিৰাপত্তাৰক্ষী আহত হোৱাৰ লগতে দুজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত উপস্থিত হৈ উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ স্বাস্থ্যৰ বুজ লয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ সুস্বাস্থ্য তথা আশু আৰোগ্য কামনা কৰে। উল্লেখযোগ্য যে উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক শাৰিৰীক অসুস্থতাৰ পৰিপ্ৰেক্ষিতত কালি নিশা চিকিৎসালয়খনত ভৰ্তি কৰোৱা হয়। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ স্বাস্থ্য সম্প্ৰতি সুস্থিৰ অৱস্থাত থকা বুলি প্ৰকাশ কৰা হৈছে।

০০০০০

মুম্বাইৰ নাগপাডাৰ নিৰ্মীয়মান ভৱন এটাৰ পানীৰ টেংক পৰিস্কাৰ কৰাৰ সময়ত উশাহ বন্ধ হৈ পাঁচগৰাকী ঠিকাভিত্তিক শ্ৰমিকে প্ৰাণ হেৰুৱায়। আজি বিয়লি সংঘটিত হোৱা এই ঘটনাৰ পাছত মুম্বাইৰ অগ্নিনিৰ্বাপক বাহিনীয়ে শ্ৰমিকসকলক উদ্ধাৰ কৰি জে জে চিকিৎসালয়লৈ লৈ যায় যদিও তেওঁলোকক মৃত ঘোষণা কৰা হয়। বাতৰি যুগুত কৰাৰ পৰলৈকে নিহতসকলৰ পৰিচয় জানিব পৰা হোৱা নাই।

০০০০০

ডুবাইত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ২০২৫ প্ৰতিযোগিতাত নিউজিলেণ্ডে ভাৰতৰ সন্মুখত ২৫২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি নিউজিলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৭টা উইকেট হেৰুৱাই ২৫১ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ মাইকেল ব্ৰেছৱেলে ৪০টা বলত

অপৰাজিত হৈ থাকি ৫৩ ৰাণ সংগ্ৰহ কৰে। ডেৰিল মিচেলে ১০১টা বলত ৬৩ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্ত্তী আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট দখল কৰে। খেলৰ আৰম্ভণিতে নিউজিলেণ্ডে সুন্দৰ প্ৰদৰ্শন কৰে যদিও ভাৰতীয় দলৰ স্পীনাৰসকলে খেলৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ আনে। ভাৰতে বাতৰি যুগুতোৱাৰ পৰলৈকে ৭ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৪৫ ৰাণ সংগ্ৰহ কৰিছে।ভাৰতে ইতিপূৰ্বে ২০০২ আৰু ২০১৩ চনত আই চি চি চেম্পিয়নছ ট্ৰফীত চেম্পিয়নৰ খিতাপ দখল কৰাৰ পাছত এইবেলি পুনৰ চেম্পিয়ন হোৱাৰ দিশে আগবাঢ়িছে।

০০০০০

সমাপ্ত